Total No. of Printed Pages—3

**5 SEM TDC EAS 1**

**2013**

( November )

# ELECTIVE ASSAMESE

( General )

Course : 501

( কবিতা আৰু নাটক )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নকেইটাৰ চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে, তাৰ পৰা শুদ্ধ উত্তৰটো নিৰ্ণয় কৰাঁ : ১×৮=৮

(ক) ‘কীৰ্তনঘোষা’ / ‘নামঘোষা’ / ‘ভক্তি ৰত্নাকৰ’ / ‘ভক্তি ৰত্নাৱলী’ত ‘হৰমোহন’ নামৰ কাব্যাংশ আছে।

(খ) ‘মালতী’ এটি মালিতা / গীতিকবিতা / প্ৰশস্তি কবিতা / আধুনিকতাবাদী কবিতা।

(গ) কেশৱ মহন্তৰ এখন কবিতাপুথিৰ নাম ‘ৰঙা জিয়াঁ’ / ‘আমাৰ পৃথিৱী’ / ‘সুগন্ধি পখিলা’ / ‘অভিযাত্ৰী’।

(ঘ) 'সঞ্চয়ন'ৰ সম্পাদক মহেশ্বৰ নেওগ / বাণীকান্ত কাকতি / দিলীপ বৰুৱা / কৰবী ডেকা হাজৰিকা।

(ঙ) অঙ্কীয়া নাটৰ আৰম্ভণিত ভৰত বাক্য / মুক্তিমংগল ভটিমা / বিলাপৰ গীত / নান্দীশ্লোক থাকে।

(চ) 'ৰুক্মিণী হৰণ' নাটত শ্ৰীকৃষ্ণই বৃত্ৰাসুৰ / ভস্মাসুৰ / নৰকাসুৰ / শিশুপালক বধ কৰে।

(ছ) অতুলচন্দ্ৰ হাজৰিকাই লিখা এখন গ্ৰন্থ হৈছে 'তিমিৰ তীৰ্থ' / 'অৰণ্যৰ মোহ' / 'মঞ্চলেখা' / 'বলি ছলন'।

(জ) 'স্থাৱৰ' নাটকখনৰ নাট্যকাৰ আলী হাইদৰ / মুনীন ভূঞা / অখিল চক্ৰৱৰ্তী / অৰুণ শৰ্মা।

২। চমুকৈ উত্তৰ লিখা (যি কোনো তিনিটা) : ৪×৩=১২

(ক) অঙ্কীয়া নাটৰ সূত্ৰধাৰজনৰ কাৰ্যাৱলী কেনে ধৰণৰ?

(খ) যতীন্দ্ৰনাথ দুৱৰাৰ কথা-কবিতাৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰা।

(গ) প্ৰগতিশীল কবিতাৰ লক্ষণসমূহ 'ৰাজপথ' কবিতাটোৰ মাজত কেনেদৰে ফুটি উঠিছে, চমুকৈ লিখা।

(ঘ) অৰুণ শৰ্মাই লিখা চাৰিখন নাটকৰ নাম লিখা।

(ঙ) চাৰিজন অসমীয়া প্ৰগতিশীল কবিৰ নাম লিখা।

৩। চমু টোকা লিখা (যি কোনো এটা বিষয়ত) : ৪

(ক) অঙ্কীয়া নাটৰ ভাষা

(খ) নৰকাসুৰ নাটকৰ স্ত্ৰী-চৰিত্ৰ

(গ) ভৱানন্দ দত্ত

(ঘ) লক্ষ্মীনাথ বেজবৰুৱা





৪। (ক) 'হৰমোহন'ৰ অন্তৰ্গত তোমাৰ পাঠ্য কবিতাংশৰ পটভূমিৰ বৰ্ণনা কৰি ইয়াত প্ৰকাশ পোৱা ভক্তিতত্ত্ব সম্পৰ্কে তোমাৰ ভাষাৰে এটা আলোচনা প্ৰস্তুত কৰা। ৫+১০=১৫

*অথবা*

(খ) 'আঘোণৰ কুঁৱলী' কবিতাটোৰ কবি পৰিচয়ৰ সৈতে এটি সাৰাংশ প্ৰস্তুত কৰা। ১৫

৫। (ক) 'নৰকাসুৰ' নাটকখনত পৌৰাণিক নাটকৰ লক্ষণসমূহ কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা। ১২

*অথবা*

(খ) 'স্থাৱৰ' নাটকৰ মূল কথাখিনি লিখা।

৬। (ক) আধুনিক অসমীয়া নাটকৰ বিকাশ সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ১৫

*অথবা*

(খ) 'জোনাকী'ৰ সময়ৰপৰা যুদ্ধোত্তৰ কাললৈকে অসমীয়া কবিতাৰ এটি ৰূপৰেখা প্ৰস্তুত কৰা।

৭। (ক) 'ৰুক্মিণী হৰণ' নাটখনত প্ৰকাশ পোৱা অঙ্কীয়া নাটৰ বৈশিষ্ট্যসমূহ উদাহৰণৰ সৈতে আলোচনা কৰা। ১৪

*অথবা*

(খ) 'ৰুক্মিণী হৰণ' নাটৰ ৰুক্মিণী আৰু বেদনিধি চৰিত্ৰ দুটিৰ বিশ্লেষণ দাঙি ধৰা।

★★★